# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI

**Date :** 18-11-2024 **Time :** 1715 Hrs.

***Assamese Evening Bulletin***

সান্ধ্য আইনৰ কৱলত থকা মণিপুৰৰ পৰিস্থিতি বৰ্তমান নিয়ন্ত্ৰণত আছে যদিও ভিতৰি ভিতৰি উত্তেজনা অব্যাহত আছে। যোৱা সপ্তাহত উগ্ৰপন্থীয়ে অপহৰণ কৰা ছজন লোকৰ পাঁচজনৰ মৃতদেহ উদ্ধাৰৰ পাছত জিৰিবামত কালি ব্যাপক প্ৰতিবাদৰ সৃষ্টি হয়। পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে নিৰাপত্তা বাহিনীয়ে গুলীচালনা কৰাত এজন প্ৰতিবাদকাৰী আহত হয়। নিশাৰ ভাগত সশস্ত্ৰ দুষ্কৃতিকাৰীয়ে জিৰিবামৰ কংগ্ৰেছ আৰু বিজেপি দুয়ো দলৰে জিলা কাৰ্যালয় দুটাত অগ্নি সংযোগ কৰে। মণিপুৰত বাহৰ পাতি থকা কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষী বাহিনীৰ সঞ্চালকপ্ৰধান অনিছ্ দয়াল সিঙে আজি ইম্ফলত আৰক্ষী আৰু নিৰাপত্তা বাহিনীৰ মুৰববীসকলৰ সৈতে পৰিস্থিতিৰ পৰ্যালোচনা কৰে। কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে আজি মণিপুৰৰ সাম্প্ৰতিক পৰিস্থিতি পৰ্যালোচনা কৰাৰ উদ্দেশ্যেৰে এখন বিশেষ বৈঠকত অংশগ্ৰহণ কৰাৰ কথা আছে। মণিপুৰৰ সাম্প্ৰতিক উত্তেজনাময় পৰিস্থিতিৰ প্ৰভাৱ ৰাজ্যখনৰ ৰাজনীতিতো পৰিলক্ষিত হৈছে। আজি জিৰিবামৰ বিজেপিৰ জিলা  পৰ্যায়ৰ ৮ গৰাকী বিষয়ববীয়াই দল ত্যাগ কৰাৰ কথা ঘোষণা কৰিছে। এন বীৰেন সিং নেতৃত্বাধীন চৰকাৰখনৰ প্ৰতি কনৰাড চাংমা নেতৃত্বাধীন এন পি পিৰ ৭জন বিধায়কে সমৰ্থন প্ৰত্যাহাৰ কৰাৰ কথা কালি ঘোষণা কৰিছে। আনহাতে, চৰকাৰখনলৈ নিঃচৰ্ত সমৰ্থন আগবঢ়াই থকা নাগা পিপ'ল্ছ্ ফ্ৰণ্টেও ৰাজ্যখনৰ শেহতীয়া পৰিস্থিতিত তেওঁলোকৰ দলীয় স্থিতিৰ পুনৰ বিবেচনা কৰাৰ কথা ঘোষণা কৰিছে। ৰাজ্য বিধানসভাত নিজাববীয়াকৈ ৩২ গৰাকী বিধায়কৰ সমৰ্থন লাভ কৰি থকা এন বীৰেণ সিং চৰকাৰৰ প্ৰতি এতিয়াই কোনো ভাবুকি অহা নাই যদিও পৰৱৰ্তী কেইদিনমানত দলৰ ভিতৰতে নেতৃত্ব পৰিৱৰ্তনৰ দাবী অধিক শক্তিশালী হৈ উঠাৰ সম্ভাৱনা আছে বুলি ৰাজনৈতিক পৰ্যবেক্ষকসকলে ধাৰণা কৰিছে।

০০০০০০

সৰ্বভাৰতীয় সংযুক্ত গণতান্ত্ৰিক মৰ্চা চমুকৈ এ আই ইউ ডি এফৰ সভাপতি তথা প্ৰাক্তন সাংসদ বদৰুদ্দিন আজমলে আজি দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু গৃহমন্ত্ৰী অমিত শ্বাহলৈ মণিপুৰৰ হিংসাত্মক পৰিস্থিতি অন্ত পেলোৱাৰ ক্ষেত্ৰত হস্তক্ষেপ বিচাৰি পৃথকে পৃথকে একোখনকৈ পত্ৰ প্ৰেৰণ কৰে। পত্ৰখনত তেওঁ মণিপুৰত চলি থকা হিংসা আৰু অশান্তি সন্দৰ্ভত উদ্বেগ প্ৰকাশ কৰে। লগতে মণিপুৰ চৰকাৰ আৰু বিষয়ববীয়াসকলক হিংসা ৰোধ কৰাত ব্যৰ্থ হোৱাৰ বাবে জবাবদিহি কৰিবলৈ প্ৰধানমন্ত্ৰী তথা গৃহমন্ত্ৰীক আহ্বান জনাইছে। ভাৰত চৰকাৰে মণিপুৰত শান্তি আৰু ন্যায় পুনৰুদ্ধাৰৰ বাবে প্ৰয়োজনীয় সকলো ব্যৱস্থা গ্ৰহণ কৰিব বুলি বদৰুদ্দিন আজমলে পত্ৰখনত আশা ব্যক্ত কৰে।

০০০০০০

গ্ৰামোন্নয়ন মন্ত্ৰী ৰণজিৎ কুমাৰ দাসে ব'হাগ বিহুৰ পূৰ্বে ৰাজ্যত পঞ্চায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব বুলি প্ৰকাশ কৰিছে। মন্ত্ৰীগৰাকীয়ে কোৱা অনুসৰি পঞ্চায়ত নিৰ্বাচনৰ বাবে প্ৰয়োজনীয় খচৰা ভোটাৰ তালিকা সাজু কৰি থকা হৈছে। ১৫ ডিচেম্বৰৰ পূৰ্বে এই ভোটাৰ তালিকা প্ৰস্তুত হৈ উঠিব।

০০০০০০

কেন্দ্ৰীয় সামাজিক ন্যায় আৰু সৱলীকৰণ মন্ত্ৰী বীৰেন্দ্ৰ কুমাৰে আজি ডিফু আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ আৰু ডিমাপুৰ পথত থকা ৰাষ্ট্ৰীয় ঘাইপথ আন্তঃগাঁথনি উন্নয়ন নিগম লিমিটেডৰ কাৰ্যালয় পৰিদৰ্শন কৰে। পৰিদৰ্শনৰ অন্তত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে ডবকাৰ পৰা লাহৰীজানলৈ নিৰ্মাণ কৰি থকা ফ'ৰলেন ৰাষ্ট্ৰীয় ঘাইপথৰ নিৰ্মাণৰ কাম ২০২৫ৰ জুন মাহৰ ভিতৰত সম্পূৰ্ণ কৰিবলৈ নিৰ্মাণৰত নিয়োজিত প্ৰতিষ্ঠানক নিৰ্দেশ দিয়ে। তিনিদিনীয়া সূচীৰে ডিফু ভ্ৰমণ কৰি জিলাখনত কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ জনকল্যাণমূলক আঁচনিসমূহৰ ৰূপায়ণৰ বুজ ল'বলৈ অহা কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে আজি ভ্ৰমণ সামৰি দিল্লীমুখে ৰাওনা হয়।

০০০০০০

অৰণ্য মানৱ, পদ্মশ্ৰী যাদৱ পায়েঙৰ জীৱন আৰু কৃতিক লৈ যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ ঔষধি বিজ্ঞান বিভাগৰ সহকাৰী অধ্যাপক ডাঃ নৰোত্তম সোণোৱালে ৰচনা কৰা 'মোলাই কাঠনিৰ মানুহজন' গ্ৰন্থৰ ইংৰাজী অনুবাদ 'The Man of the Forest Molai' গ্ৰন্থখন কালি যোৰহাট প্ৰেছ ক্লাবত আনুষ্ঠানিকভাৱে উন্মোচন কৰা হয়। ড° প্ৰশান্ত পূজাৰীয়ে অনুবাদ কৰা এই গ্ৰন্থ উন্মোচনী সভাত অৰণ্য মানৱ যাদৱ পায়েং নিজেও উপস্থিত থাকি পৰিৱেশ বিষয়ক মনোজ্ঞ বক্তব্য আগবঢ়ায়। অনুষ্ঠানত লেখক গোবিন কুমাৰ খাউণ্ড আৰু শিক্ষাবিদ বিনীতা দত্তইও অংশগ্ৰহণ কৰে।

০০০০০০০

বাক্সা জিলাৰ হুদুখাটাত কালি এটা অভ্যৰ্থনা অনুষ্ঠানৰ খাদ্য খোৱাৰ পাছত বিষক্ৰিয়া হৈ ২২টি শিশু অসুস্থ হৈ পৰে। গাঁওখনৰ এজন লোকৰ ঘৰত দুপৰীয়া ভাত খোৱাৰ পাছত এই শিশুসকলৰ বমি আৰু পায়খানা হ'বলৈ ধৰে। গাঁওবাসীয়ে তেওঁলোকক শালবাৰী আদৰ্শ চিকিৎসালয়ত ভৰ্তি কৰোৱায়। বৰ্তমান শিশুকেইটি বিপদমুক্ত বুলি চিকিৎসকে ঘোষণা কৰিছে।

০০০০০০০

ৰাজ্য চৰকাৰৰ উদ্যোগত আয়োজিত দ্বিতীয় পৰ্যায়ৰ খেল মহাৰণ আজি বৰপেটা জিলাত আৰম্ভ হয়। বৰপেটা পৌৰসভাৰ খেলপথাৰত আয়োজিত খেল মহাৰণ প্ৰতিযোগিতা জিলা আয়ুক্ত ৰোহন কুমাৰ ঝাই উদ্বোধন কৰে। বৰপেটা জিলাত এইবাৰৰ খেল মহাৰণত ৩ লাখৰো অধিক খেলুৱৈয়ে অংশগ্ৰহণ কৰিছে। বৰপেটা পৌৰসভাৰ খেলপথাৰত আজি এথলেটিকছ্ ডবা আৰু কাবাডী খেল খেলোৱা হয়। আনহাতে পাটবাউসীত চাইকেল চলা প্ৰতিযোগিতাখন অনুষ্ঠিত হয়। জিলা আয়ুক্তগৰাকীয়ে খেল মহাৰণ উদ্বোধন কৰি কয়, যে এই প্ৰতিযোগিতাই কেৱল খেলুৱৈসকলকে নহয় খেলৰ প্ৰতি নতুন চামৰ আকৰ্ষণো বৃদ্ধি কৰিছে। প্ৰথম পৰ্যায়ৰ খেল মহাৰণৰ পাছত আকৰ্ষণ বৃদ্ধি হোৱা দেখা গৈছে।

০০০০০০

অসম আৰক্ষীৰ ৰাজ্যিক পৰ্যায়ৰ নিযুক্তি পৰিষদে অসম কমাণ্ড বেটেলিয়নৰ ১৬৪ টা কনিষ্টবল পদৰ পৰীক্ষাৰ প্ৰৱেশ পত্ৰসমূহ ১৮ নৱেম্বৰৰ পৰা উপলব্ধ হ'ব বুলি প্ৰকাশ কৰিছে। পৰিষদে জাৰি কৰা জাননী অনুসৰি প্ৰাৰ্থীসকলে www.slprbassam.in ৱেবছাইটযোগে নিজৰ প্ৰৱেশ পত্ৰ ডাউনলোড কৰিব পাৰিব। কনিষ্টবল পদসমূহৰ বাবে ২৫ নৱেম্বৰৰ পৰা শাৰীৰিক সক্ষমতা পৰীক্ষা অনুষ্ঠিত হ'ব বুলি আৰক্ষী নিযুক্তি পৰিষদৰ এখন বিজ্ঞপ্তিত কোৱা হৈছে। ০০০০০০০

**সমাপ্ত**